**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-11-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**-----------------------**

আজি ষট পূজাৰ তৃতীয় দিন। এই উপলক্ষে ভক্তসকলে বিভিন্ন নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়ায়। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে ষট পূজা দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম আৰু সূৰ্য দেৱতাৰ উপাসনাৰ এটা উপলক্ষ। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিংতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাৰ অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ গুৱাহাটী আৰক্ষীয়ে জনসাধাৰণক আহ্বান জনাইছে।

তিনিচুকীয়া জিলাতো ৫ৰ পৰা ৭ নৱেম্বৰলৈ ষট পূজা উদযাপন কৰা হৈছে। কৰিমগঞ্জত জিলা ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰিবলৈ জিলা প্ৰশাসনে কিছু নিৰ্দেশনা জাৰি কৰিছে। জিলাখনৰ কেইবাটাও স্থানত ষট পূজাৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

oooooooo

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি দৰঙাত আব্ৰজন তালাচী চকী মুকলি কৰা হ'ব। দুয়োখন ৰাষ্ট্ৰৰ মাজত আন্তঃসম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূবন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল

লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে মুখ্য অতিতি  হিচাপে উপস্থিত থাকিব। ১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা আই চি পি দৰঙা সীমান্ত পাৰ হৈ কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ অৰ্থে আধুনিক ব্যৱস্থা থাকিব। অনুষ্ঠানত অসমৰ কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থকাৰ কথা। দৰঙাত আব্ৰজন তালাচী চকী মুকলিৰ বাবে দুয়োখন ৰাষ্ট্ৰই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত তামুলপুৰৰ পৰা আমাৰ সংবাদদাতা নয়নজ্যোতি দাস-

**-ভইচ কাষ্ট-**

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সন্ত্ৰাসবাদ বিৰোধী সন্মিলন ২০২৪ক সম্বোধন কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থাই এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। সম্পূৰ্ণ চৰকাৰ দৃষ্টিভংগীত সন্ত্ৰাসবাদৰ বিভীষিকাৰ বিৰুদ্ধে সমন্বিত ব্যৱস্থা গ্ৰহণৰ বাবে ব্যৱস্থা বিকশাই তুলি বিভিন্ন পক্ষৰ মাজত সমন্বয় গঢ়ি তোলা আৰু ভৱিষ্যতৰ নীতি প্ৰস্তুতকৰণৰ বাবে পৰামৰ্শ আগবঢ়োৱাই এই সন্মিলনৰ মূল উদ্দেশ্য।

০০০০০

মাজুলী জিলা শিশু সুৰক্ষা কাৰ্যালয়ত কালি ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। জাতীয় সংগীতেৰে আৰম্ভ কৰা হয় ভাষা গৌৰৱ সপ্তাহৰ অনুষ্ঠান। অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী সাহিত্যিক, শিক্ষাবিদৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত তেজপুৰ মাজগাঁও যুটীয়া সঞ্চালকালয়ৰ কাৰ্যালয়ত কালি ৰবি শস্যৰ বীজ বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হয়। তেজপুৰৰ ডিপোটা আৰু ঘোঁৰামাৰি কৃষি চক্ৰৰ কৃষকসকলৰ মাজত বীজ বিতৰণ কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই সৰিয়হ, মতৰ, ঘেঁহু, মচুৰমাহৰ বীজ কৃষকসকলৰ মাজত বিতৰণ কৰে। বিতৰণ কাৰ্যসূচীত জিলা উন্নয়ন আয়ুক্ত যুটীয়া কৃষি সঞ্চালক, সহকাৰী কৃষি সঞ্চালকৰ লগতে বহুগৰাকী বিষয়াও উপস্থিত থাকে। অনুষ্ঠানত বীজ বিতৰণৰ লগতে মহকুমা কৃষি বিষয়াই আধুনিক পদ্ধতিৰে পিঁয়াজত খেতি কৰাৰ প্ৰশিক্ষণ প্ৰদান কৰে। কৃষকসকলক ভূমি স্বাস্থ্য পত্ৰ সম্পৰ্কেও জ্ঞান প্ৰদান কৰা হয়।

০০০০০০০০

সমাপ্ত